# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-04-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

ooooo

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ আটাইকেইটা শাখাৰ ফলাফল ঘোষণা কৰা হয়। এইবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কলা শাখাত উত্তীৰ্ণৰ হাৰ ৮১ দশমিক ৩-২ শতাংশ, বিজ্ঞান শাখাত উত্তীৰ্ণৰ হাৰ ৮৩ দশমিক ৯-৯ শতাংশ, বাণিজ্য শাখাত উত্তীৰ্ণৰ হাৰ ৮২ দশমিক ৯-৩ শতাংশ আৰু বৃত্তিগত শাখাত উত্তীৰ্ণৰ হাৰ ৬৮ দশমিক ৮-৪ শতাংশ। কলা শাখাত অৱতীৰ্ণ ২ লাখ ২৬ হাজাৰ ৭৫৬ হাজাৰ শিক্ষাৰ্থীৰ ভিতৰত ৪৯ হাজাৰ ৫৭৭ গৰাকী প্ৰথম, ৮০ হাজাৰ ৬৫০ গৰাকী দ্বিতীয় আৰু ৫৩ হাজাৰ ৫১৮ গৰাকী শিক্ষাৰ্থী তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে।

একেদৰে বিজ্ঞান শাখাত অৱতীৰ্ণ ৫৬ হাজাৰ ৯০৯ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ২৫ হাজাৰ ৮২৭ গৰাকী প্ৰথম, ১৯ হাজাৰ ২৮৬ গৰাকী দ্বিতীয় আৰু ৩ হাজাৰ ১৯৬ গৰাকী শিক্ষাৰ্থী তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে।

বাণিজ্য শাখাত অৱতীৰ্ণ ১৭ হাজাৰ ৭৪৬ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ছহেজাৰ ৫১৯ গৰাকী প্ৰথম, ৫ হাজাৰ ৭৬০ গৰাকী দ্বিতীয় আৰু দুহেজাৰ ৩০৫ গৰাকী শিক্ষাৰ্থী তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে।

ঘোষিত ফলাফল অনুসৰি এইবেলি তিনিওটা শাখাতে উত্তীৰ্ণৰ হাৰ ২০২৪ বৰ্ষৰ তুলনাত কিছু হ্ৰাস পাইছে।

ফলাফল প্ৰকাশৰ পাছতে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ সচিব নৰনাৰায়ণ নাথে বামুণীমৈদামৰ কাৰ্যালয়ত এখন সংবাদমেল সম্বোধন কৰি পৰীক্ষা হৈ যোৱাৰ ৪৪ দিনৰ ভিতৰত ফলাফল ঘোষণা কৰা হৈছে বুলি প্ৰকাশ কৰে। ফলাফল ঘোষণাৰ পাছতে পৰীক্ষাৰ্থীসকলে ই-মাৰ্কশ্বিট ডাউনল'ড কৰিব পৰাকৈ উপলব্ধ হৈছে। উচ্চ শিক্ষা গ্ৰহণত সহায়ক হোৱাকৈ পৰীক্ষাৰ ফলাফলৰ তথ্যসমূহ ডিজি লকাৰলৈ প্ৰেৰণ কৰা হ'ব বুলি সচিবগৰাকীয়ে প্ৰকাশ কৰে। লগতে সচিবগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি পূৰ্বতে প্ৰমাণপত্ৰ আৰু মাৰ্কশ্বিট সুকীয়াকৈ প্ৰদান কৰাৰ বিপৰীতে এইবাৰ মাৰ্কশ্বিট আৰু উত্তীৰ্ণৰ প্ৰমাণপত্ৰ একেখনে হ'ব। বাহিৰত অধ্যয়নৰ বাবে দুখনকৈ নথি আপল'ড কৰাত অসুবিধাৰ হোৱাৰ প্ৰতি লক্ষ্য ৰাখি এই ব্যৱস্থা কৰা হৈছে সচিব নৰনাৰায়ণে প্ৰকাশ কৰে। ফলাফল ঘোষণাৰ দুদিন পাছত বহী পুনৰীক্ষণৰ বাবে প'ৰ্টেল মুকলি কৰা হ'ব। এই সন্দৰ্ভত সচিব নাথে কয়, যে পৰীক্ষাৰ ফলাফলত অসন্তুষ্ট হোৱা পৰীক্ষাৰ্থীসকলে বহী পুনৰীক্ষণৰ বাবে এই প'ৰ্টেলযোগে আবেদন কৰিব পাৰিব। বহী পুনৰীক্ষণৰ বাবে কোনো পৰীক্ষাৰ্থী পৰিষদৰ কাৰ্যালয়লৈ যোৱা প্ৰয়োজন নাই। সংশ্লিষ্ট পৰীক্ষাৰ্থীয়ে বিচাৰিলে পৰীক্ষাৰ্থীগৰাকীৰ ই-মেইলত বহীৰ স্কেন কপিও প্ৰদান কৰা হ'ব।

ooooo

উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণাৰ পাছতে গোগামুখত শিক্ষা মন্ত্ৰী ডা০ ৰণোজ পেগুৱে এখন সংবাদমেল সম্বোধন কৰি পৰীক্ষাত সফলতা অৰ্জন কৰা সকলো শিক্ষাৰ্থীকৈ অভিনন্দন জনায়। লগতে সফল নোহোৱা পৰীক্ষাৰ্থীসকলকো নিৰাশ নহৈ পুনৰ প্ৰস্তুতি চলাবলৈ আহ্বান জনায়। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে পৰীক্ষা অনুষ্ঠিত কৰাৰ ৪৪ দিনৰ ভিতৰতে সুকলমে ফলাফল ঘোষণা কৰাৰ বাবে শিক্ষা মন্ত্ৰীগৰাকীয়ে পৰিষদকো ধন্যবাদ জনায়।

০০০০০

গুৱাহাটী বাৰ এছ'চিয়েচনৰ সদস্য পদৰ পৰা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পদত্যাগ কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই আজি বাৰ এছ'চিয়েচনৰ সভাপতিলৈ তেওঁৰ পদত্যাগ পত্ৰ প্ৰেৰণ কৰে। গুৱাহাটী উচ্চ ন্যায়ালয় উত্তৰ গুৱাহাটীৰ ৰংমহললৈ স্থানান্তৰৰ প্ৰক্ৰিয়াক লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কৰ্তৃপক্ষ আৰু ৰাজ্য চৰকাৰৰ সিদ্ধান্তৰ সৈতে বাৰ এছ'চিয়েচনৰ মত বিৰোধৰ সৃষ্টি হৈছিল। বাৰ এছ'চিয়েচনৰ সিদ্ধান্তৰ সৈতে একমত হ'ব নোৱাৰা বাবেই মুখ্যমন্ত্ৰী শৰ্মাই এছ'চিয়েচনৰ সদস্য পদ ত্যাগ কৰে। স্বাৰ্থৰ সৈতে সংঘাতৰ বাবে নহয় বৰঞ্চ ন্যায়িক সংস্থা আৰু আইন ব্যৱস্থা তথা নতুন প্ৰজন্মৰ অধিবক্তাসকলৰ ভৱিষ্যতৰ স্বাৰ্থত তেওঁ বাৰ এছ'চিয়েচনৰ পৰা পদত্যাগ কৰা বুলি মুখ্যমন্ত্ৰী শৰ্মাই পত্ৰখনত উল্লেখ কৰিছে। একেখন পত্ৰতে মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পূৰ্ণকালীন আদালতৰ বৈঠকৰ অনুমোদন মৰ্মে ৰাজ্য চৰকাৰে প্ৰায় এহেজাৰ কোটি টকা ব্যয় সাপেক্ষে উত্তৰ গুৱাহাটীৰ ৰংমহললৈ গুৱাহাটী উচ্চ ন্যায়ালয় স্থানান্তৰৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। বৰ্তমানৰ উচ্চ ন্যায়ালয়ৰ ভৱনটো পূৰ্ণ পৰ্যায়ৰ ন্যায়িক সংগ্ৰহালয় হিচাপে গঢ়ি তোলা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে একেখন পত্ৰতে উল্লেখ কৰিছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে ২২ হাজাৰ ৮৬৪ কোটি টকা ব্যয়সাপেক্ষে মেঘালয়ৰ শ্বিলঙৰ সমীপৰ মাইলংখুঙৰ পৰা শিলচৰৰ ওচৰৰ পঞ্চগ্ৰামলৈ এটা দ্ৰুত গতিসম্পন্ন কৰিড'ৰ নিৰ্মাণৰ প্ৰস্তাৱত অনুমোদন জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত আজি নতুন দিল্লীত অনুষ্ঠিত মন্ত্ৰীসভাৰ ৰাজনৈতিক পৰিক্ৰমা বিষয়ক কমিটীৰ বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই কথা সদৰি কৰে। তেওঁ কয় যে এই প্ৰকল্পই উত্তৰ পূৰ্বাঞ্চলৰ আমূল পৰিৱৰ্তন সাধন কৰিব। মন্ত্ৰীগৰকীয়ে কয় যে এই পথটোৰ দৈৰ্ঘ্য ১৬৬ কিলোমিটাৰৰো অধিক হ'ব আৰু পথটোৱে ত্ৰিপুৰা, মিজোৰাম, মণিপুৰ আৰু বৰাক উপত্যকাৰ সৈতে যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰি তুলিব। আন্তঃগাঁথনি উন্নয়নৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ এই প্ৰকল্পটোৱে গুৱাহাটী, শ্বিলং আৰু শিলচৰৰ মাজত আন্তঃচহৰ যোগাযোগ ব্যৱস্থাৰ উন্নয়ন সাধন কৰিব আৰু ৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যান-জঁট হ্ৰাস কৰাত সহায় কৰিব। কাম সম্পূৰ্ণ হৈ উঠাৰ পাছত এই প্ৰকল্পটোৱে অসম, মেঘালয়, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ আৰ্থ-সামাজিক উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। চৰকাৰে আসন্ন লোকপিয়লত জাতিগত গণনা অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত লৈছে বুলি শ্ৰীবৈষ্ণৱে জানিবলৈ দিয়ে।

০০০০০

সমাপ্ত